بسم اللہ الرحمٰن الرحیم

نحمده و نصلّی علٰی رسوله الکریم و علٰی عبده المسیح الموعود

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ১৩ মে ২০১৬ ইং চনত চুইডেনৰ মেহমুদ মছজিদত প্ৰদান কৰা জুম্মাৰ খোতবাৰ সাৰাংশ।**

> মছজিদৰ প্ৰকৃত সৌন্দৰ্য অট্টালিকাৰ সৌন্দৰ্যৰ সৈতে নহয় বৰং সেই নামাজী সকলৰ সৈতে সৌন্দৰ্য প্ৰস্ফুটিত হয় যি সকলে পবিত্ৰ অন্তঃ কৰণেৰে মছজিদত নামাজ পঢ়ে। মছজিদৰ অট্টালিকা নিৰ্মাণৰ আচল উদ্দেশ্য তেতিয়াহে পুৰ্ণতা লাভ কৰিব যেতিয়া ইবাদতকাৰীৰ সংখ্যা বেছি হৈ মছজিদত ভৰপুৰ থাকিব। নিজে মছজিদত আহি নিজৰ নামাজেৰে মছজিদৰ সৌন্দৰ্য বৰ্দ্ধন কৰিব আৰু তবলিগৰ জৰিয়তে অঞ্চলবাসীক ইছলামৰ মনোৰম শিক্ষাৰ সৈতে পৰিচয় কৰাব।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কোৰ'আন কৰিমৰ নিম্নক্ত আয়াত পাঠ কৰে।

إِنَّمَا يَعْمُرُ مَسٰجِدَ اللّٰهِ مَنْ اٰمَنَ بِاللّٰهِ وَالْيَوْمِ الْاٰخِرِ وَاَقَامَ الصَّلٰوةَ وَاٰتَى الزَّكٰوةَ وَلَمْ يَخْشَ اِلَّا اللّٰهَ فَعَسٰۤى اُولٰۤئِكَ اَنْ يَّكُوْنُوْا مِنَ الْمُهْتَدِيْنَ۔ (التوبہ آیت 18) اَلَّذِيْنَ اِنْ مَّكَّنّٰهُمْ فِي الْاَرْضِ اَقَامُوا الصَّلٰوةَ وَاٰتَوُا الزَّكٰوةَ وَاَمَرُوْا بِالْمَعْرُوْفِ وَنَهَوْا عَنِ الْمُنْكَرِ ؕ وَلِلّٰهِ عَاقِبَةُ الْاُمُوْرِ۔ (الحج آیت 41)

আলহামদু লিল্লাহ; আল্লাহ তায়লা আজি চুইডেন বাসী সকলক নিজৰ দ্বিতীয় মছজিদখন নিৰ্মাণ কৰিবলৈ সামৰ্থ দান কৰিছে যাৰ নাম মছজিদ মেহমুদ ৰখা হৈছে। সকলো পবিত্ৰ চেতালোক সকলে (মাশা আল্লাহ) অতি সহায় সহযোগীতা মছজিদ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰদৰ্শণ কৰিছে। ইয়াৰে জামাত সৰু হিচাপে উক্ত মছজিদ নিৰ্মাণৰ সিদ্ধান্ত হাতত লোৱা বৰ ডাঙৰ এটা সিদ্ধান্ত আছিল। ইয়াৰ নিৰ্মাণাৰ্থে উপাৰ্জন কাৰী সকলে বেছি-বেছি বৰঙনি আগবঢ়ায়। ল'ৰা-ছোৱালী, মহিলা সকলেও দান বৰঙনিৰ ক্ষেত্ৰত পিছ পৰি থকা নাই। আল্লাহ তায়লাৰ ঘৰ নিৰ্মাণৰ বাবে দ্বীনক দুনিয়াদাৰীৰ ওপৰত প্ৰাধান্য দিয়াৰ উদাহৰণ প্ৰতিষ্ঠা কৰিছে। আহমদী সকলৰ দান বৰঙনি চাই মানুহে আচৰিত হৈ যায়। কেৱল এটা মছজিদৰ প্ৰশ্ন নহয় ধাৰাবহিক ভাবে মছজিদ নিৰ্মাণ নামাজ পঢ়াৰ বাবে বেলেগ-বেলেগ কেন্দ্ৰ স্থাপন, মিছন হাউচ কিনা বা নিৰ্মাণৰ কাম চলি আছে। ইয়াৰ ওপৰিও অন্যান্ন খৰচ পৃথিবীৰ প্ৰত্যেক ঠাইতে হৈ আছে লগতে আৰু ভিন-ভিন চান্দাৰ বাজেট চলি আছে। আল্লাহ তায়লা জামাত আহমদীযাৰ মাজত এনেকুৱা বহুত মানুহ ৰাখিছে যি সকলে ধৰ্মৰ নামত ধন খৰচ কৰিবলৈ ব্যকুল হৈ থাকে। আল্লাহ তায়লা আৰু জামাতৰ বাবে খৰচ কৰাৰ ইছলামী ৰূহ এই যুগত আঁহজৰত (ছাঃ) ৰ সত্য প্ৰাণ দাস হজৰত মছিহ মাওউদ (আঃ) য়ে আমাৰ মাজত প্ৰথিত কৰিছে। যেনেকৈ তেখেত (আঃ) য়ে জামাতৰ লোকৰ ধন কোৰবানী কৰা দেখি তন্ময় প্ৰকাশ কৰিছিল তেনেকৈ আজিও এই কোৰবানীয়ে আচৰিত কৰি দিয়ে এইবোৰ সকলো আল্লাহ তায়লাৰ কৃপাত আল্লাহ তায়লায় হজৰত মছিহ মাওউদ (আঃ) ক দিয়া প্ৰতিশ্ৰুতিৰ বহিঃ প্ৰকাশ মাত্ৰ যে আল্লাহ তায়লা তেখেত (আঃ) ৰ প্ৰয়োজন পুৰ্ণ কৰিব। আনহাতে জামাত আহমদীয়াৰ কিছুমান প্ৰয়োজনীয় কাম আমি স্বইচ্ছাই শ্ৰমদান স্বৰূপে সমাধা কৰো, সেই বাবে খৰচত অলপ হলেও ধন ৰাহি হয়। যিয়েই নহওক আল্লাহ তায়লা ধন উচ্ছৰ্গাকাৰী আৰু সিহঁতক যি সকলে এই মছজিদ নিৰ্মানাৰ্থে আৰ্থিক সাহায্য আগবঢ়াইছে পুৰুস্কাৰেৰে ভুষিত কৰক। সৰু, ডাঙৰ সকলোৰে উক্ত মছজিদ নিৰ্মানাৰ্থে কেনেকুৱা দান বৰঙনি আগবঢ়াইছে তাৰ চমু খতিয়ন আগবঢ়াইছো। হুযুৰ আনোৱাৰ (আইঃ) য়ে উল্লেখ কৰে যে এজনী ১১ বছৰীয়া ছোৱালী মছজিদৰ চান্দা হিচাপে ৫ শ ক্ৰুণৰ আগবঢ়ায় আৰু কয় যে এয়া মই বহুত দিনৰ পৰা নিজৰ পকেট খৰচৰ পৰা জমা কৰি লৈ আনিছো। আন এজনী ১১ বছৰীয়া ছোৱালী য়ে ৫ শ ক্ৰুণৰ চান্দা আদায়কাৰীৰ হাতত প্ৰদান কৰি কয় যে মোৰ দুটা ভাটো চৰাই আছিল সেয়া বিক্ৰি কৰি এই ধন মই মছজিদৰ বাবে প্ৰদান কৰিবলৈ জমা কৰিছো। এই দেশত বিভিন্ন পহু পালনৰ প্ৰথা আছে কিন্তু আহমদী ছোৱালী জনীয়ে বেলেগৰ দৰে পহু পালনক প্ৰধান্য নিদি খোদা তায়লাৰ ঘৰ নিৰ্মাণৰ প্ৰয়োজনীয়তাক প্ৰধান্য দিয়ে। আচল তৃপ্তি আল্লাহ তায়লাৰ সন্তুষ্টিৰ মাজতেই সেয়া আহমদী ল'ৰা-ছোৱালী য়ে ভালদৰে বুজি পায়। সৰুৰে পৰাই আঁহজৰত (ছাঃ) ৰ কথাৰ পৰা এই বোধশক্তি লাভ কৰে যে মছজিদ নিৰ্মাণত অংশ লোৱা জনে বেহেস্তত নিজৰ ঘৰ সাজে। এজনী ছোৱালী এতেখাফত বহিছিল, তাই পৰিচালক সমিতিৰ লগত যোগাযোগ কৰি নিজৰ

গহনা মছজিদ নিৰ্মাণৰ বাবে দিয়ে আৰু এজনী ওয়াকফে নও ছোৱালীয়ে এনেকুৱা কৰে যে নিজৰ সকলো গহনা বিক্ৰি কৰি আৰু পকেট খৰচ জমা কৰি এখন চিঠিৰ খামত ভৰাই লগতে এখন পত্ৰ লিখি দেউতাকৰ গাৰুৰ তলত থৈ দিয়ে। চিঠিত লিখি দিয়ে যে এয়াই মোৰ ওচৰত আছিল আৰু একো নাই যে সেয়া মই মছজিদৰ বাবে খোদাৰ দৰবাৰত দিব পাৰো। এনে দৰে নৱবিবাহিতা ছোৱালী এজনীয়েও নিজৰ সকলো গহনা মছজিদৰ বাবে দান দিয়ে। এনেদৰে বহুত মহিলাই নিজৰ পতিয়ে ভালেখিনি ধন প্ৰদান কৰাৰ পিছতো নিজৰ গহনা আৰু হাতত থকা জমা ধন মছজিদৰ বাবে প্ৰদান কৰে। ইয়াতে থকা দুজনী মহিলাৰ হাতত মছজিদৰ বাবে দিবলৈ একো নাছিল কিন্তু পাকিস্থানত দেউতাকৰ ফালৰ পৰা ককাদেউতাৰ সম্পত্তি হিচাপে এখন ঘৰ লাভ কৰে, তাই সেই ঘৰ খন বিক্ৰি কৰি গোটেইখিনি ধন মছজিদৰ বাবে দান কৰে। এজন খাদিমে এক শকত অংকৰ ধন মছজিদ নিৰ্মাণাৰ্থে দিবলৈ প্ৰতিশ্ৰুতি দিয়ে, তাৰে এটা অংশ তাৰ পত্নীয়ে দিব বুলি কথা আছিল কিন্তু দুৰ্ভাগ্য বশত বিবাহ বিচ্ছেদ হয়। কিন্তু সেই ডেকাজনে কয় যে যিহেতু মই দিম বুলি কৈছিলো গতিকে ময়েই দিম আৰু অৱশেষত গোটেইখিনি ধন আদায় দিয়ে। মালমু জমাতৰ এজন খাদিমে, যি জনে ক্ষন্তেকীয়া চাকৰি এটা কৰি আছিল, যেতিয়া মছজিদৰ বাবে চান্দা বঢ়াই দিয়াৰ আহবান জনায় তেতিয়া তেওঁ আৰু ১০ হাজাৰ ক্ৰুণৰ বঢ়াই ১ লাখ ক্ৰুণৰ আদায় দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। আল্লাহ তায়লা তাৰ কোৰবাণীৰ ফলস্বৰূপে তাক এটা পাৰমানেণ্ট চাকৰি মিলাই দিয়ে। এনেধৰণৰ কোৰবাণীৰ উদাহৰণ আহমদী সকলৰ মাজত সকলো ঠাইতেই দেখিবলৈ পোৱা যায়।

ইয়াৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে মছজিদৰ মাটি সম্পৰ্কে আলোচনা কৰে। উক্ত মছজিদখনৰ ১৯৯৯ ইং চনত নিৰ্মাণৰ কাম আৰম্ভ হৈছিল। মুকৰম এহেছান উল্লাহ চাহাবে ৫০০০ $m^2$ মাটি যি টিলাৰ দৰে ওখ আৰু ঘাই পথৰ লগত সংলগ্ন আছিল সেয়া কিনি জমাতক দিয়ে। উক্ত ঘাই পথে গোটেই Europe সৈতে Suiden আৰু Norway সংযুক্ত কৰিছে। গতিকে মছজিদৰ সৌউচ্চ অট্টালিকাই প্ৰত্যেক পথ যাত্ৰীৰ নয়ন যুগলত কিৰণ বিলাই তৌহিদৰ বাৰ্তা দিছিল। আল্লাহ তায়লা সকলো আহমদীক মছজিদৰ হ'ক আদায় কৰি তবলিগৰ জৰিয়তে উক্ত মছজিদখনক তৌহিদ বিস্তাৰৰ কেন্দ্ৰৰূপে গঢ়ি তুলিবলৈ তৌফিক দান কৰক।

উক্ত কমপ্লেক্চৰ মাজত অৱস্থিত বিল্ডিংৰ মাটিৰ পৰিমান হ'ল ২৩৫৩ $m^2$। ইয়াৰে আটাইতকৈ ডাঙৰ অট্টালিকাখন হ'ল মছজিদ মেহমুদ যাৰ মাটি কালি ১৪৯৪ $m^2$ আৰু ৭৫০ $m^2$ ৰ এখন Play Room আছে। মছজিদখন দুমহলীয়া তাৰে এখন পুৰুষ আৰু এখন মহিলাৰ বাবে। উক্ত মছজিদত একেলগে সোতৰ শ লোকে নামাজ পঢ়িব পাৰে।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে- এতিয়া জমাতৰ বাবে মছজিদৰ বৰ প্ৰয়োজন, এয়াই হ'ল খোদাৰ ঘৰ। যিখন গাওঁ বা চহৰত আমাৰ মছজিদ প্ৰতিষ্ঠা হৈছে, বুজিবা তাত জমাতৰ উন্নতিৰ বাট মুকলি হৈছে । যদি গাওঁ, চহৰ নতুবা কোনো ঠাইত য'ত মুছলমান কম আছে তাত ইছলামৰ উন্নতি কল্পে এখন মছজিদ তৈয়াৰ কৰা উচিত, দেখিবা আল্লাহ তায়লা নিজে মুছলমান সকলক তালৈ টানি আনিব আৰু লাহে-লাহে স্থানীয় লোকৰ দ্বাৰাই নামাজীৰ সংখ্যা বাঢ়িব। কিন্তু চৰ্ত হ'ল মছজিদ নিৰ্মাণৰ উদ্দেশ্য কেৱল মাত্ৰ আল্লাহ তায়লাৰ ইবাদতৰ বাবে হ'ব লাগিব। আত্ম স্বাৰ্থ অথবা কোনো কুঅভিসন্ধি জড়িত নহলে আল্লাহ তায়লা বৰকত দান কৰিব। গতিকে নিয়েত পবিত্ৰ হ'ব লাগিব, কোনো ধৰণৰ দুষ্টালি হৃদয়ত নালাগিব, খোদা তায়লাৰ সন্তোষ্টি অৰ্জণৰ বাবে কোৰবাণী কৰি মছজিদ নিৰ্মাণ কৰি নামাজীৰে মছজিদৰ সৌন্দৰ্য বৰ্দ্ধন কৰিলে বৰকত বৰ্ষিত হয়। গতিকে এই উদ্দেশ্য পূৰনাৰ্থে পাৰস্পৰিক একতা, সহায় সহযোগীতাৰ সৃষ্টি কৰি আল্লাহ তায়লাৰ নিৰ্দেশিত বাটেৰে খোজ দিয়ক।

ইয়াৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে হজৰত মছিহ মাওউদ (আঃ) য়ে নামাজ আৰু মছজিদ সম্পৰ্কে দি থৈ যোৱা উপদেশ সমুহ বৰ্ণনা কৰে। তেখেত (আঃ) য়ে কৈছে যে- বাজমাত (একেলগে মিলিত হৈ নামাজ পঢ়া) নামাজত অধিক ছোৱাব ৰখাৰ উদ্দেশ্য হ'ল ইয়াতে একত্ববাদৰ জন্ম হয় আৰু সেই একত্ববাদৰ বহি প্ৰকাশ এনেদৰে স্পষ্ট কৰিবলৈ নিৰ্দেশ দিছে যে- নামাজৰ বাবে শাৰী পাতি থিয় হওঁতে ভৰিৰ অৱস্থান একে আৰু শাৰী পোন কৰি ভৰিৰ গোড়ালী এটা লাইনত ৰাখি অতি ওচৰা-ওচৰিকৈ এজনে আনজনৰ সৈতে থিয় হ'ব লাগিব। ইয়াৰ মুল তত্ত্ব হ'ল যেনিবা সকলোৰে মিলি এজন মানৱত পৰিণত হোৱাৰ চিত্ৰ প্ৰদৰ্শন কৰিছে নামাজৰ বাবে পতা শাৰী এনেকুৱা পোন হ'ব লাগে যেনিবা এজন মানুহ থিয় হৈ আছে আৰু এজনৰ পবিত্ৰ কিৰণে আনজনক প্ৰভাৱিত কৰিছে। সেই প্ৰেৰণাৰ উদ্ৰেক হ'ব লাগিব যাতে স্বাৰ্থ পৰতাই ঠাই নাপায়। এইটো ভালকৈ মনত

ৰাখিবা এজনে আনজনৰ পবিত্ৰ কিৰণ নিজৰ মাজত ধাৰণ কৰাৰ শক্তি মানুহৰ মাজত নিহিত আছে। আকৌ সেই ঐক্য আনৰ বাবে নিৰ্দেশ দিছে যে প্ৰতেক দিন স্থানীয় মছজিদত নামাজ আদায় আৰু সপ্তাহত শুক্ৰবাৰে চহৰৰ মছজিদত আৰু বছৰত দুবাৰ ঈদগাহত জমা হৈ আৰু ভুমণ্ডলৰ সকলো মুছলমান বছৰত এবাৰ বায়তুল্লাহ স্বৰীফত জমা হৈ নামাজ আদায় কৰাৰ যি নিৰ্দেশ তাৰ একমাত্ৰ উদ্দেশ্য হ'ল একত্ববাদ। নামাজৰ পৰা হজ্বলৈ যিমানবোৰ নিৰ্দেশ ইবাদতৰ বাবে আছে সেইবোৰৰ এটাই উদ্দেশ্য হ'ল যে মাত্ৰ এটা জাতি গঠিত হওঁক নাম মুছলমান। কিন্তু দুৰ্ভাগ্য যে এতিয়া আটাইতকৈ বেছি ভিন্নতা, ষড়যন্ত্ৰ, দন্দ বিদাদ মুছলমানৰ মাজত ঠাই লৈছে। গতিকে আমি আহমদী সকলে আদৰ্শ প্ৰতিষ্ঠা কৰিব লাগিব আৰু বিশ্ববাসীক ইছলামৰ মনোৰম আৰু প্ৰকৃত শিক্ষা সম্পৰ্কে জনাব লাগিব।

আকৌ হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে মছজিদৰ আচল সৌন্দৰ্য মছজিদৰ অট্টালিকাত খচিত নহয়। বৰং সৌন্দৰ্য হ'ল সেই নামাজী সকলৰ সৈতে সংলগ্ন যি সকলে একাগ্ৰ চিত্তে নামাজ পঢ়ে। হজৰত ৰছুলে কৰিম (ছাঃ) ৰ মছজিদ সৰু আছিল আৰু খেজুৰৰ পাতেৰে চালি বনোৱা আছিল য'ত বৰষুণ দিলে মজিয়াত টোপা-টোপে পানী পৰিছিল। মছজিদ নিৰ্মাণৰ ক্ষেত্ৰত নিৰ্দেশ আছে যে তাকওয়াৰ বাবেহে মছজিদ গঢ়িব লাগে। গতিকে আমি আল্লাহ তায়লাৰ সন্তুষ্টিৰ বাবে সকলো কাম সমাধা কৰাৰ পিছত এই চিন্তা কৰা উচিত যে যিকোনো এটা উদ্দেশ্য পুৰণ কৰাৰ পিছত আমি যেন নিজৰ জীৱণৰ মুল উদ্দেশ্য সম্পৰ্কে উদাসীন হৈ নাযাওঁ। আমি যেন এয়া ধাৰণা নকৰো যে ধুনীয়া এখন মছজিদ নিৰ্মাণ কৰি লৈছো গতিকে আমাৰ যি দায়িত্ব সেয়া পুৰ্ণ হৈছে আৰু সকলো কাম শেষ হৈ গৈছে। দৰাচলতে মছজিদ এখন নিৰ্মাণৰ পিছতহে আমাৰ আচল কামৰ দুৱাৰ মুকলি হয়। সেই হেতুকে আমি মনত ৰাখিব লাগিব যে আমি উপাসনাৰ (ইবাদত) নিৰ্দেশ পালন কৰিব লাগিব, এই নিৰ্দেশ তেতিয়া সুচাৰু ৰূপে পালন হ'ব যেতিয়া আমি মছজিদ নামাজীৰে ভৰপুৰ ৰাখিম।

আঁহজৰত (ছাঃ) য়ে কৈছে যে- যিজনে ৰাতি পুৱাৰ দোকমোকালিত আৰু আবেলি পৰত মছজিদলৈ যায় তেওঁৰ বাবে আল্লাহ তায়লা বেহেস্তত অতিথি হিচাপে সেৱাৰ ব্যাৱস্থা কৰে। সেই হিচাপে মছজিদলৈ অহা ব্যক্তিসকল আল্লাহ তায়লাৰ অতিথি হিচাপে পৰিগণিত হৈ থাকে। উক্ত মছজিদ নিৰ্মাণ কৰাৰ বাবে সকলোৰে আল্লাহ তায়লাৰ প্ৰশংসা কৰিব, আমিও কৰিব লাগিব, বিশ্বৰ সকলো আহমদী সকলেই কৰিব লাগিব। মছজিদ নিৰ্মাণৰ পিছত আপোনালোকে আগতকৈ বেছি ইছলামী আদৰ্শ নিজৰ হৃদয়ত স্থাপন কৰি মানুহক দেখুৱাব লাগিব।

মছজিদ নিৰ্মাণৰ অৰ্থই হ'ল আল্লাহ তায়লাৰ ওপৰত ঈমান স্থাপন কৰা। আল্লাহ তায়লাৰ ওপৰত মানুহৰ ঈমান সেই সময়ত পূৰ্ণতা পায় যেতিয়া মানুহে নিজকে সকলো শিৰিকৰ পৰা মুক্ত ৰাখে। সকলো বস্তুৰেই দাতা খোদা তায়লা বুলি ভাবে। আকৌ পৰকালৰ (আখেৰাত) ওপৰত অনা ঈমান সম্পৰ্কেও বাখ্যা আছে। যদি মানুহে চিন্তা কৰে যে ইহলোকত কৈ পৰলোক বহুত ভাল তেন্তে মানুহে ইহজগতৰ সাধাৰণ লাভৰ বাবে নিজৰ সকলো শক্তি প্ৰয়োগ কৰাৰ সলনি পৰজগতৰ পুৰুস্কাৰৰ অংশীদাৰ বনাবলৈ আপ্ৰানচেষ্টা কৰিব।

আল্লাহ তায়লা এঠাইত উল্লেখ কৰিছে যে- وَلَدَارُ الْاٰخِرَةِ خَيْرٌ لِّلَّذِيْنَ اتَّقَوْا ۔ (يوسف آيت 109)

অৰ্থাৎ- আৰু যিসকলে তাকওয়া অৰ্জন কৰিছে সিহঁতৰ বাবে বৈ আছে পৰলোকত অতি সুন্দৰ ঘৰ। যিয়েই নহওক মোমিন সকলে এখন ঘৰ পায় মছজিদ নিৰ্মাণত অংশ গ্ৰহন কৰি কিন্তু সেই ঘৰৰ অস্থিত্ব মছজিদৰ অস্থিত্ব যি তাকওয়াৰ সৈতে সংলগ্ন। গতিকে মছজিদ নিৰ্মাণৰ হ'ক তাকওয়াৰ ওপৰত চলিলেহে প্ৰকৃত ভাৱে আদায় হ'ব।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে- মোত্তাকী হোৱাৰ বাবে প্ৰয়োজন হ'ল কিছুমান বিষয় যেনে পৰস্ত্ৰীগমন, চুৰি, বেলেগৰ প্ৰাপ্য হৰণ কৰা, ঘৃণা, বিদ্বেষ, কৃপনালী আদিত লিপ্ত যদি তেন্তে এইবোৰ বেয়া চৰিত্ৰ ত্যাগ কৰি পবিত্ৰ চৰিত্ৰৰ ফালে উন্নতি সাধন কৰিব লাগিব। মানুহৰ সৈতে মানৱতা, সহানুভুতি আৰু সজ আচৰণ প্ৰদৰ্শন কৰিব লাগিব, এয়া হ'ল চৰিত্ৰ, এয়া হ'ল তাকওয়া। প্ৰেম ভাল পোৱা, নিৰ্মল আচৰণ আৰু সহানুভুতি মুছলমানেই হওক বা অমুছলমানেই হওক সকলোৰে সৈতে প্ৰদৰ্শন কৰা। আল্লাহ তায়লাৰ সৈতে আনুগত্য সুদৃঢ় কৰি এনেকুৱা কাম কৰা যাতে খোদা তায়লাৰ দৃষ্টি তাৰ ওপৰত পৰে। এই বিলাকেই হ'ল মুত্তাকীৰ পৰিচয়। হুযুৰ আনোৱাৰ (আইঃ) য়ে উল্লেখ কৰে যে দিনে-দিনে আমালোকৰ দায়িত্ব বাঢ়ি আছে, মছজিদৰ হ'ক আদায় কৰিবলৈ হলে আমি আমাৰ মাজত এক জাগৰণ সৃষ্টি কৰিব লাগিব, আকৌ নামাজৰ প্ৰতি মনযোগ আকৰ্ষণ কৰি পাচঁ ওৱাক্ত নামাজ বাজামাত পঢ়াৰ বাবে নিৰ্দেশ দিয়ে আৰু কয় যে মছজিদৰ আচল সৌন্দৰ্য নামাজীৰ সংখ্যাৰ

ওপৰতহে নিৰ্ভৰশীল। আকৌ জাকাত সম্পৰ্কে উল্লেখ কৰি দুখীয়াৰ প্ৰাপ্য সম্পৰ্কে মনযোগ আকৰ্ষণ কৰে।

আল্লাহ তায়লা কোৰ'আন কৰিমত বিভিন্ন ঠাইত জাকাত প্ৰদান কৰা সম্পৰ্কে উল্লেখ কৰিছে। নিজৰ ধন মাল খৰচ আৰু তাৰ জাকাত নিৰ্দ্ধাৰণ সম্পৰ্কে উল্লেখ কৰিছে। নিজামে খিলাফতৰ সৈতে জাকাতৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। যিবোৰ আয়াতত নিজামে খিলাফত সম্পৰ্কে নিৰ্দেশ আৰু ভৱিষ্যতবানীৰ উল্লেখ আছে তাৰ আগৰ আয়াতত নামাজ আৰু জাকাত সম্পৰ্কে উল্লেখ আছে। হজৰত মছিহ মাওউদ (আঃ) ৰ জৰিয়তে এই যুগত ধৰ্মই জয়লাভ কৰিব, আৰু কৰিববলৈ আছিল আৰু কৰিছে। কাৰণ তেখেত (আঃ) য়ে আঁহজৰত (ছাঃ) ৰ সত্য প্ৰাণ দাস হিচাপে পৃথিৱীলৈ আহিছে আৰু আল্লাহ তায়লা তেখেত (আঃ) ক এই কাৰণেই প্ৰেৰণ কৰিছে যাতে ইছলামী শিক্ষাৰ প্ৰকৃত আদৰ্শ প্ৰতিষ্ঠিত হয়। ইছলামৰ হেৰাই যোৱা সুখ্যাতি দ্বিতীয়বাৰ যেন প্ৰতিষ্ঠিত হয়। তেখেত (আঃ) য়েই হ'ল খলিফা সকলৰ নায়ক বা তাজ (খাতামুল খুলফা) তেঁৱেই দেখুৱাইছে ইছলামৰ অনাবিল সৌন্দৰ্য কি ? গতিকে তেখেত (আঃ) ৰ আবিৰ্ভাৱৰ উদ্দেশ্য হ'ল যাতে বিশ্ববাসীয়ে ইছলামৰ অনুপম সৌন্দৰ্য দেখিববলৈ পায়। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - মই পাঠ কৰা ছুৰা হজ্বৰ আয়াতত আল্লাহ তায়লা সেই লোক সকলৰ বিষয়ে উল্লেখ কৰিছে যি সকলক আল্লাহ তায়লা পুৰ্ণ মৰ্যদা দান কৰে আৰু সেই সকলে বিশেষ গুনাৱলীৰ অধিকাৰী হয়, আৰু সেই সকলৰ মাজত নামাজ গ্ৰথিত হয়, জাকাত প্ৰদান কৰা আৰু সজ কথা বিস্তাৰ আৰু বেয়া কথাৰ পৰা মানুহক আঁতৰত ৰখাৰ দায়িত্ব থাকে। খিলাফতৰ নিজাম তেখেত (আঃ) ৰ জৰিয়তে এই যুগত প্ৰতিষ্ঠা হোৱাৰ কথা আছিল সেয়া হৈছে। গতিকে প্ৰত্যেক আহমদীৰে ডাঙৰ দায়িত্ব হ'ল এই ফালে চিন্তা কৰা আৰু বুজা। লগতে ইয়াৰ বাবে নিজৰ প্ৰতিশ্ৰুতি পুৰ্ণ কৰি নিজৰ চিন্তা ধাৰা খোদা তায়লাৰ সন্তুষ্টি অনুসৰি চলাববলৈ সদায় চেষ্টা কৰিব।

আল্লাহ তায়লা কৰক যে- আমি যেন এইবোৰ কথা বুজি পাও, আল্লাহ তায়লাৰ হ'ক আদায় কৰিব পাৰো, পাৰস্পৰিক প্ৰেম প্ৰীতিত আগবাঢ়িব পাৰো, মছজিদৰ হ'ক আদায় কৰিব পাৰো, তবলিগৰ দায়িত্ব পালন কৰিব পাৰো, আঁহজৰত (ছাঃ) ৰ সত্য প্ৰাণ দাস হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াত গ্ৰহণত দিয়া প্ৰতিশ্ৰুতি যেন পুৰ্ণ কৰিব পাৰো। আল্লাহ তায়লা সকলোকেই তাৰ সামৰ্থ দান কৰক। (আমিন)।

*******

**Assamese Khulasa Khutba Jumma Huzoor Anwar 13th May 2016**

**BOOK POST (PRINTED MATTER)**

**To**

____________________

____________________

____________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890**